# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-09-2025

**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শেষ শ্ৰদ্ধা জনাবলৈ সৰুসজাইত ওৰে নিশা অনুৰাগীৰ ভিৰ।

২। যোৰাবাটৰ সমীপৰ কমাৰকুছিত কাইলৈ ৰাজ্যিক মৰ্যদ্যাৰে জুবিন গাৰ্গৰ শেষকৃত্য। যোৰহাটতো শিল্পীগৰাকীৰ চিতাভস্মৰে আন এখন সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে পুৱাৰে পৰা ভোটগ্ৰহণ আৰম্ভ।

৪। অসম লোকসেৱা আয়োগৰ প্ৰাম্ভিক পৰীক্ষাৰ প্ৰশ্নকাকত অসমীয়াতে প্ৰস্তুত কৰাৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্ত। অসম চাহ নিগমৰ অধীনৰ চাহ শ্ৰমিকক ২০ শতাংশ পূজা বোনাচ প্ৰদানত মন্ত্ৰীসভাৰ অনুমোদন।

*আৰু*

৫। এছিয়া কাপৰ কালি নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফৰ পৰ্য্যায়ৰ খেলত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ।

০০০০০০০

ৰাজ্যৰ সংগীত ক্ষেত্ৰত বৃহৎ শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰিছে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে।

**গান ঃ** .....

শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব। জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি সন্ধিয়া দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকত জুবিন গাৰ্গৰ শেষকৃত্য যোৰাবাটৰ সমীপৰ কমাৰকুছিত কাইলৈ সম্পন্ন কৰাৰ বাবে সিন্ধান্ত লোৱা হয়। পৰিয়ালৰ ইচ্ছা অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সেই স্থানতে প্ৰিয় শিল্পীগৰাকীৰ সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। জনতাৰ শিল্পীগৰাকীৰ চিতাভস্মৰে যোৰহাট জিলাতো এখন সমাধিক্ষেত্ৰ নিৰ্মাণ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লয়।

**বাইট (চি এম) -১**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি নিশা কমাৰকুছিৰ নিৰ্ধাৰিত ক্ষেত্ৰ পৰিদৰ্শন কৰে। শিল্পীগৰাকীৰ শেষকৃত্যৰ বাবে এই ঠাইখিনি সাজু কৰি তুলিবলৈ প্ৰয়োজনীয় সকলো কাম কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

ৰাজ্যিক মৰ্যাদাৰে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। এই সময়ছোৱাত সকলো চৰকাৰী-বেচৰকাৰী বিদ্যালয়, অন্যান্য প্ৰতিষ্ঠান তথা চৰকাৰৰ কাৰ্যসূচীসমূহ বন্ধ থাকিব। কাইলৈ শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ থাকিব।

জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে তেওঁৰ মৃত্যুৰ বিষয়টোৰ তদন্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰিছে।

**বাইট (চি এম) - ২**

ইপিনে, ছিংগাপুৰস্থিত ভাৰতৰ উচ্চায়ুক্তই জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত দিয়া প্ৰমাণপত্ৰত পানীত ডুবি শিল্পীগৰাকীৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে।

০০০০০০০

সংগীতৰ অনন্য সুৰেৰে অগণিতজনৰ হৃদয় জয় কৰা জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে। তেওঁৰ বিয়োগত দেশৰ বিভিন্ন প্ৰান্তত অনুৰাগীসকলে শ্ৰদ্ধা নিবেদন কৰিছে। ডিব্ৰুগড়ৰ ড০ লীলা গগৈ উৰণ সেতুৰ সমীপত কালি জাতীয় ঐক্য পৰিষদ অসমে মহান শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আমোলাপট্টি পাঁচআলি সংযোগী প্ৰস্তাৱিত উৰণ সেতুখনৰ নাম জুবিন গাৰ্গৰ নামেৰে নামকৰণ কৰাৰ বাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি পৰিষদে চৰকাৰক দাবী জনায়। চহৰখনৰ বিভিন্ন ঠাইত আজি পুৱাও জনতাৰ শিল্পীগৰাকীৰ প্ৰতি অসংখ্য লোকে শ্ৰদ্ধা জনায়।

শিলচৰতো কালি অসম বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধা জনাই হাজাৰ হাজাৰ বন্তি প্ৰজ্বলন কৰে। শ্ৰীভূমি জিলাৰ বদৰপুৰ বজাৰ সমিতিৰ উদ্যোগত কালি সংগীত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

তিনিচুকীয়া জিলাৰ মাকুমত কালি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এটা সমদল উলিওৱা হয়। দৰং জিলা সাহিত্য সভা, মঙলদৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, মঙলদৈ মহাবিদ্যালয়কে ধৰি দৰং জিলাৰ বিভিন্ন স্থানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সমূহীয়া প্ৰাৰ্থনা সভা, ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান আদিৰ আয়োজন কৰা হয়।

হোজাই জিলাৰ লংকাৰ তিনিআলি, শ্বিলং ৰোড, ২ নম্বৰ ৰে'লগেট, বামুনগাঁও, কাকী আদিত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই গছপুলি ৰোপণ কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰে। নগাঁও বিশ্ববিদ্যালয়ৰ সমীপৰ চাৰিআলিত কালি সন্ধিয়া জুবিন গাৰ্গৰ অনুগামীসকলে শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

মুম্বাইত ভালেসংখ্যক শিল্পীয়ে কালি জুবিনক গানেৰে শ্ৰদ্ধা জনায়। কলকাতাতো অসংখ্য শিল্পীয়ে তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে। মহিলা ক্ৰিকেট বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানত জুবিন গাৰ্গৰ মৃত্যুত শ্ৰদ্ধা জনাই ৪০ মিনিটৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি বি চি চি আইৰ সচিব দেৱজিত লন শইকীয়াই জনাইছে।

০০০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ আজি পুৱাৰে পৰা আৰম্ভ হৈছে। ভোট কেন্দ্ৰ সমূহত পুৱাৰে পৰা ভোটদাতাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে দীঘলীয়া শাৰী পতা পৰিলক্ষিত হৈছে। বিটিচিৰ মুঠ ৪০ টা সমষ্টিৰ বাবে ৩ হাজাৰ তিনিশ ৫৯ টা ভোটকেন্দ্ৰত ভোট গ্ৰহণ কৰা হৈছে। এইবাৰ নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ২৬ লাখ ৫৮ হাজাৰ ১৫৩ গৰাকী ভোটাৰে এইসকল প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। উল্লেখযোগ্য যে, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে গয়বাৰী

আৰু দোতমা সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে। বি পি এফৰ মুৰব্বী তথা প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দেৰৰ গাঁও আৰু চিৰাং দুৱাৰ সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে। বিটিআৰৰ অন্যান্য পৰিষদীয় সমষ্টিৰ লগতে ওদালগুৰি জিলাৰ ১০ টা সমষ্টিৰ ভোটকেন্দ্ৰ সমূহতো পুৱাৰে পৰা ভোটাৰৰ দীঘলীয়া শাৰী দেখা গৈছে। জিলাখনৰ ভোটগ্ৰহণ সন্দৰ্ভত আমাৰ ওদালগুৰিৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে জনাইছে। (বাইট - ওদালগুৰি)

ইপিনে চিৰাং জিলাৰ ৭ টা পৰিষদীয় সমষ্টিৰ ভোটকেন্দ্ৰ সমূহতো পুৱাৰে পৰা ভোটদাতাই ভিৰ কৰিছে। বাক্সা জিলাৰ ভোটকেন্দ্ৰ সমূহতো ভোটাৰৰ যথেষ্ট ভিৰ দেখা গৈছে। জিলাখনৰ ভোটগ্ৰহণ সন্দৰ্ভত এয়া আমাৰ বাক্সা সংবাদদাতা দামোদৰ ডেকা (বাইট)

ooooooo

অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্নকাকত এতিয়াৰ পৰা অসমীয়াতো প্ৰস্তুত কৰাৰ বাবে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি লোকসেৱা ভৱনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই দুৰ্গা পূজা উপলক্ষে অসম চাহ নিগমৰ অধীনৰ চাহ বাগিছাৰ শ্ৰমিকসকলক ২০ শতাংশ বোনাচ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে । তদুপৰি অসম মন্ত্ৰীসভাই ২৬০ কোটি টকাৰ ব্যয়ৰে সোণাপুৰত দশম অসম আৰক্ষী বেটেলিয়ন স্থাপনত অনুমোদন জনাইছে। গুৱাহাটীত নিৰ্মাণ হৈ থকা ৫০০০ খন আসন যুক্ত জ্যোতি- বিষ্ণু প্ৰেক্ষাগৃহৰ পৰিচালনাৰ দায়িত্ব শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সমিতিৰ হাতত ন্যস্ত কৰাৰ বাবেও অসম মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। অৱশ্যে প্ৰেক্ষাগৃহৰ নিয়মীয়া চোৱা-চিতাৰ কাম লোকনিৰ্মাণ বিভাগে অব্যাহত ৰাখিব। অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ জৰিয়তে নিয়োজিত ৬৫ গৰাকী বিজ্ঞান আৰু গণিত সহায়কৰ পাৰিতোষিক বৃদ্ধি, ছুটী আদিৰ ক্ষেত্ৰতো মন্ত্ৰীসভাই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিজ্ঞান আৰু গণিত সহায়ক সকলক আন কৰ্মচাৰীৰ দৰে চি পি এফ আৰু বাৰ্ষিক ৫ শতাংশ দৰমহা বৃদ্ধিৰ সুবিধাও লাভ কৰিব।

ooooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি এছ টিৰ পৰিৱৰ্তনক পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ বুলি উল্লেখ কৰি কয়, যে এই ব্যৱস্থাই ভাৰতৰ অৰ্থনীতি সবল কৰাৰ লগতে মধ্যবিত্ত, যুৱ আৰু উপভোক্তাসকলক সকাহ দিব। আজি

নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা কাৰ্যকৰী হ'বলগীয়া জি এছ্ টিৰ নতুন সংস্কাৰ সন্দৰ্ভত কালি দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। এই নতুন জি এছ্ টি সংস্কাৰক সঞ্চয় উৎসৱ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই ব্যৱস্থাই কৰ ৰাহি কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম হ্ৰাস কৰিব। এই নতুন কৰ সংস্কাৰৰ জৰিয়তে দেশে আত্মনিৰ্ভৰ ভাৰতৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি তেওঁ লগতে প্ৰকাশ কৰে।

আজিৰে পৰা প্ৰযোজ্য হ'বলগীয়া নতুন জি এছ্ টিত পূৰ্বৰ ১২ আৰু ২৮ শতাংশ কৰ আঁতৰাই ৫ আৰু ১৮ শতাংশ কৰ আৰোপ কৰা হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ অৰুণাচল প্ৰদেশত ৫ হাজাৰ ১০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ দুটা বৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই কাৰ্যসূচীৰ মাজতে প্ৰধানমন্ত্ৰীয়ে আন বিভিন্ন প্ৰকল্পৰ লগতে টাৱাঙৰ সীমান্ত জিলাত নিৰ্মাণ কৰিবলগীয়া এটা অত্যাধুনিক সন্মিলন কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে এহেজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যখনৰ যোগাযোগ, স্বাস্থ্য, অগ্নি নিৰ্বাপন সেৱাকে ধৰি কেইবাটাও ক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰিব।

প্ৰধানমন্ত্ৰীয়ে আজি ত্ৰিপুৰাত **প্ৰাসাদ** আঁচনিৰ অধীনত মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰৰ চৌহদত নতুনকৈ গঢ়ি তোলা বুনিয়াদী সা-সুবিধা আৰু সৌন্দৰ্যবৰ্ধন কাৰ্য মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰত পূজা-অৰ্চনা কৰিব।

০০০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে। ভাৰতে ১৭২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৫টা বলত ৪টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। অভিষেক শৰ্মাই ৭৪ আৰু শুভমন গিলে ৪৭ ৰানৰ বৰঙণি আগবঢ়ায়।

ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৭১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ছাহিবজাদা ফাৰহানে সৰ্বাধিক ৫৮ ৰান কৰে। ভাৰতৰ এই জয়ে ৰান ৰেট শক্তিশালী কৰাৰ লগতে প্ৰতিযোগিতাখনত দলটোৰ স্থিতি সবল কৰিছে।

০০০০০০০

গুৱাহাটীৰ সৰুসজাইত অৱস্থিত ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামত প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অন্তিম দৰ্শন আৰু শ্ৰদ্ধা জনোৱাৰ বাবে লাখ লাখ গুণমুগ্ধই ভিৰ কৰা বাতৰি আৰু আলোকচিত্ৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰধান বাতৰিৰূপে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত শিল্পীগৰাকীৰ এখন দৃষ্টিনন্দন আলোকচিত্ৰ প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধা জনোৱা লাখ লাখ গুণমুগ্ধৰ আলোকচিত্ৰৰ লগতে **হে সূৰ্য, প্ৰণাম** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

বিটিচিৰ ৪০টা সমষ্টিত আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। এই বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

কাইলৈ ৰাজ্যিক মৰ্যাদাৰে সোণাপুৰৰ কমাৰকুছিত জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ব। আমাৰ অসম কাকতৰ লগতে আন আন কাকতেও এই বাতৰি প্ৰকাশ কৰিছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পদচিহ্ন কালি ভাস্কৰ্য শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে সংগ্ৰহ কৰে। নিয়মীয়া বাৰ্তা কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

দেশে-বিদেশে ক্ষণজন্মা শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। মুম্বাই, কলকাতা, কুৱেইট, দক্ষিণ আফ্ৰিকা আদি সকলোতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱা হৈছে। দৈনিক অগ্ৰদূত কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

১০০ বছৰত কৰিব নোৱাৰা কাম জুবিনে মাত্ৰ ৩০ বছৰত কৰি থৈ গ'ল। পত্নী গৰিমা গাৰ্গৰ মন্তব্যৰে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা জনাবলৈ গুৱাহাটীত সৃষ্টি হোৱা জনসমুদ্ৰৰ আলোকচিত্ৰৰে দি আছাম ট্ৰিবিউন আৰু দা ছেণ্টিনেল বাতৰি কাকতে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

সমাপ্ত